**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-07-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
***----------------------***

১। কেন্দ্ৰীয় যোগাযোগ আৰু উত্তৰ-পূব উন্নয়ন দপ্তৰৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াৰ আজি গুৱাহাটীৰ নেডফি হাউচত উদ্যোগীকৰণ আৰু ষ্টাৰ্ট আপৰ প্ৰসাৰ বিষয়ত আলোচনা।

২। ৰাজ্যৰ বান পৰিস্থিতি উন্নত হৈছে যদিও ২৪ খন জিলাৰ প্ৰায় ১৪ লাখ লোক এতিয়াও বানৰ কবলত।

৩। অসম আৰক্ষীৰ নিযুক্তি প্ৰক্ৰিয়া ৩ অক্টোবৰৰ পৰা আৰম্ভ হ'ব বুলি মুখ্যমন্ত্ৰীৰ ঘোষণা।

৪। অসম টেনিছ সন্থাৰ উদ্যোগত আজিৰে পৰা গুৱাহাটীত অইল আইটা ছুপাৰ ছিৰিজ ৰাষ্ট্ৰীয় টেনিছ প্ৰতিযোগিতা।ড়

*আৰু*

৫। ভাৰত আৰু জিম্বাব্'ৱেৰ মাজৰ পাঁচখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ আজি চতুৰ্থখন।

০০০০০০

উত্তৰ-পূবক দেশৰ উন্নয়নৰ দুৱাৰমুখ হিচাপে অভিহিত কৰি  প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিশেষ কাৰ্যব্যৱস্থা গ্ৰহণ কৰিছে বুলি কেন্দ্ৰীয় যোগাযোগ আৰু উত্তৰ-পূব উন্নয়ন দপ্তৰৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই কালি গুৱাহাটীত প্ৰকাশ কৰে। দুদিনীয়া ভ্ৰমণসূচীৰে অসম আৰু মেঘালয়লৈ অহা কেন্দ্ৰীয় ড'নাৰ মন্ত্ৰী শ্ৰী সিন্ধিয়াই আজি গুৱাহাটীৰ নেডফি হাউচ পৰিদৰ্শন কৰি বিষয়াসকলৰ সৈতে উদ্যোগীকৰণ আৰু ষ্টাৰ্টআপক অধিক প্ৰসাৰিত কৰাৰ উপায়ৰ বিষয়ে আলোচনা কৰিব। উল্লেখযোগ্য যে, কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ভ্ৰমণৰ সময়ছোৱাত ড'নাৰ মন্ত্ৰালয়ৰ বিষয়াবৰ্গ, উত্তৰ-পূব পৰিষদ আৰু ৰাজ্য চৰকাৰৰ শীৰ্ষ বিষয়াৰ সৈতে পৰ্যালোচনা বৈঠকত মিলিত হ'ব।

সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে, বিকশিত ভাৰত আৰু বিকশিত পূৰ্বোত্তৰৰ ভৱিষ্যদৰ্শী আঁচনিৰ লক্ষ্যৰে কেন্দ্ৰীয় চৰকাৰে উন্নয়নমূলক পদক্ষেপ গ্ৰহণ কৰিছে। কেন্দ্ৰই ড'নাৰ মন্ত্ৰালয়ৰ বাজেট আৱণ্টন ২৪ হাজাৰ কোটিৰ পৰা প্ৰায় ৮২ হাজাৰ কোটিলৈ বৃদ্ধি কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। উত্তৰ-পূৰ্বাঞ্চলৰ চহকী সংস্কৃতিক বিশ্ব দৰবাৰলৈ লৈ যাব লাগিব বুলি শ্ৰী সিন্ধিয়াই মত প্ৰকাশ কৰে। কেন্দ্ৰীয় চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলত আন্তঃগাঠনি, সংযোগ, স্বাস্থ্যসেৱা, শিক্ষা, ষ্টাৰ্টআপ, উদ্যোগীকৰণ আৰু পৰ্যটন খণ্ডৰ উন্নয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।

০০০০০০

ৰাজ্যৰ বান পৰিস্থিতি ক্ৰমাৎ উন্নত হৈছে যদিও ব্ৰহ্মপুত্ৰ, বৰাককে ধৰি প্ৰধান প্ৰধান নদীসমূহ এতিয়াও বিপদসীমাৰ ওপৰেৰে বৈ আছে। নিমাতীঘাট, তেজপুৰ আৰু ধুবুৰীত ব্ৰহ্মপুত্ৰ বিপদসীমাৰ ওপৰেৰে বৈ থকাৰ বিপৰীত খোৱাঙত বুঢ়িদিহিং নৈ বিপদসীমাৰ ওপৰে বৈ আছে। ৰাজ্যৰ ২৪ খন জিলাৰ প্ৰায় ১৪ লাখ লোক

এতিয়াও বানৰ কবলত আছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে জনোৱা তথ্য অনুসৰি এতিয়াও ৭৫টা ৰাজহ চক্ৰৰ দুহেজাৰ ৪০৬ খন গাঁৱৰ বিস্তীৰ্ণ অঞ্চল বানত বুৰ গৈ আছে। এই বানত ৩৯ হাজাৰ হেক্টৰতকৈ অধিক কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে। বৰ্তমানলৈকে শেহতীয়া বানত ৯০ জন লোকে প্ৰাণ হেৰুৱাৰ তথ্য পোৱা গৈছে। ৰাজ্য চৰকাৰে স্থাপন কৰা ২৯৯টা আশ্ৰয় শিবিৰত ৪১ হাজাৰতকৈ অধিক লোকে আশ্ৰয় লৈ আছে। এন ডি আৰ এফ, এছ ডি আৰ এফ, অগ্নিনিৰ্বাপক বাহিনী, আৰক্ষী আৰু দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ স্বেচ্ছাসেৱক সকলে বান ক্ষতিগ্ৰস্ত অঞ্চলত উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে।

ইফালে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বানত ক্ষতিগ্ৰস্ত লোকসকলৰ পুনৰ সংস্থাপন অথবা ক্ষতিপূৰণ প্ৰদানৰ কাম শীঘ্ৰেই আৰম্ভ কৰা হ'ব বুলি ঘোষণা কৰিছে। তেওঁ জনোৱা মতে বান পৰিস্থিতি ক্ৰমাৎ উন্নত হৈ আহিছে আৰু পানী শুকোৱাৰ পিছত সৰ্বসাধাৰণৰ বাবে গ্ৰহণ কৰিবলগীয়া সকলো ব্যৱস্থা জিলা প্ৰশাসনে তৎকালে আৰম্ভ কৰিব।

০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অসম আৰক্ষীৰ নিযুক্তি প্ৰক্ৰিয়া ৩ অক্টোবৰৰ পৰা আৰম্ভ হ'ব বুলি ঘোষণা কৰিছে। সামাজিক মাধ্যমযোগে দিয়া বাৰ্তাত তেওঁ কয় যে, আৰক্ষীৰ নিযুক্তি প্ৰক্ৰিয়াক লৈ দীৰ্ঘদিনৰ পৰা যুৱক-যুৱতীসকলৰ মাজত উৎকণ্ঠাই বিৰাজ কৰি আছিল। সেয়ে অসম আৰক্ষীয়ে এই নিযুক্তি প্ৰক্ৰিয়া ৩ অক্টোবৰৰ পৰা আৰম্ভ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। সমান্তৰালকৈ শিক্ষক নিযুক্তিৰ ক্ষেত্ৰতো চৰকাৰে শীঘ্ৰেই সিদ্ধান্ত গ্ৰহণ কৰিব বুলি তেওঁ বাৰ্তাটোত উল্লেখ কৰে। ইফালে তৃতীয় আৰু চতুৰ্থ বৰ্গৰ নিযুক্তি পৰীক্ষাৰ বাবেও চৰকাৰে যাৱতীয় সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰাৰ কথা মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে। তেওঁ জনোৱা মতে দুই-এদিনতে পৰীক্ষাৰ বিষয়সূচী ঘোষণা কৰা হ'ব। ১৪ হাজাৰ পদৰ বাবে প্ৰায় ১৮ লাখ প্ৰাৰ্থীয়ে আবেদন কৰা বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে বাৰ্তাটোত উল্লেখ কৰে।

০০০০০০

২০১৩ চনত প্ৰাদেশিকৃত হোৱা সকলো বিদ্যালয়ৰ শিক্ষকে গ্ৰেচুইটিৰ ধন শীঘ্ৰেই লাভ কৰিব। এই সন্দৰ্ভত মাধ্যমিক শিক্ষা সঞ্চালকে বিশেষ নিৰ্দেশনা জাৰি কৰিছে। ৰাজ্যৰ সকলো জিলাৰ বিদ্যালয়ৰ পৰিদৰ্শক সকললৈ মাধ্যমিক শিক্ষা সঞ্চালক মমতা হোজাইয়ে দিয়া এটা নিৰ্দেশনাত এই কথা উল্লেখ কৰা হৈছে। ইয়াৰ ফলত দীৰ্ঘদিনে বিনা বেতনে শিক্ষকতা কৰি ২০১৩ চনত প্ৰাদেশিকৰণ হোৱাৰ পিছত অতি কম সময় চাকৰি নিৰিখত দৰমহা লাভ কৰা শিক্ষকসকলৰ উপকৃত হ'ব।

০০০০০০

মাজুলী জিলা প্ৰশাসনে জিলাখনত বানৰ পাছত হ'ব পৰা সম্ভাব্য ৰোগৰ প্ৰতি লক্ষ্য ৰাখি বিশেষ সতৰ্কতা অৱলম্বন কৰিছে। ইয়াৰ অংশ হিচাপে জিলাখনৰ বিভিন্ন ঠাইত জনসাধাৰণৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি স্বাস্থ্য শিবিৰৰ আয়োজন কৰিছে। আমাৰ সংবাদদাতাই জানিবলৈ দিয়া অনুসৰি জিলা স্বাস্থ্য বিভাগে প্ৰতিদিনে বিভিন্ন ঠাইত আয়োজন কৰা স্বাস্থ্য শিবিৰত ভালেমান জনসাধাৰণৰ স্বাস্থ্য পৰীক্ষা সম্পন্ন কৰিছে। ইয়াৰ উপৰিও ৰোগ প্ৰতিৰোধ সন্দৰ্ভত অৱগত কৰাৰ বাবে জনসাধাৰণৰ মাজত বিশেষ সজাগতা সভাৰ আয়োজন কৰা হৈছে।

ইয়াৰ উপৰি বানত ক্ষতিগ্ৰস্ত জিলাখনৰ কৃষকসকলৰ প্ৰতি লক্ষ্য ৰাখি জিলা কৃষি বিভাগে ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা ২০২৪-২৫ৰ অধীনত সমূহীয়া কঠিয়াতলীৰ বাবে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰ অংশ

হিচাপ জেংৰাই কৃষি চক্ৰৰ অধীনত এডৰা কঠিয়াতলীত কালি দুটা উন্নত প্ৰজাতিৰ অধিক উৎপাদনক্ষম ধানৰ বীজ সিঁচা হৈছে।

০০০০০০

কেন্দ্ৰীয় বতৰ বিজ্ঞান বিভাগে অসম, মেঘালয়, ছিকিম আৰু অৰুণাচল প্ৰদেশত আজিৰে পৰা ধাৰাষাৰ বৰষুণৰ আগজাননী দিছে। উত্তৰ-পূবৰ উপৰিও ওড়িশা, পশ্চিমবংগ, বিহাৰ, পূব-পশ্চিম উত্তৰ প্ৰদেশ, ৰাজস্থান, ঝাৰখণ্ড আদিতো অহা দুদিনলৈ ধাৰাষাৰ বৰষুণ হোৱাৰ আগলি বতৰা দিছে। উল্লেখযোগ্য যে বিগত প্ৰায় এমাহধৰি অৰুণাচল প্ৰদেশ, অসম তথা উত্তৰ-পূবত হোৱা ধাৰাষাৰ বৰষুণৰ বাবে অসমত বানে ভয়াৱহ ৰূপ ধাৰণ কৰিছিল। সম্প্ৰতি বান পৰিস্থিতি কিছু উন্নত হৈছে যদিও বহু অঞ্চল এতিয়াও বানৰ কবলত আছে। আনহাতে ধাৰাষাৰ বৰষুণৰ ফলত ছিকিম, নাগালেণ্ড, অৰুণাচল প্ৰদেশ আদি অঞ্চলত ভূমিস্খলন হৈ ব্যাপক হাৰত ধন-জনৰ হানি হৈছে।

০০০০০০

কেন্দ্ৰীয় চৰকাৰে প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনত ৰাজ্যৰ বাবে ৩৭৮ কোটি ৬৮ লাখ টকা আৱণ্টন দিছে। এই পুঁজিৰে ৫৬৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৭৮টা পথ আৰু ১৪ খন পকী দলং নিৰ্মাণ কৰা হ'ব। গ্ৰামোন্নয়ন মন্ত্ৰ্যালয়ে কৈছে যে, এই প্ৰকল্পসমূহে স্বাস্থ্য, শিক্ষা আৰু বাণিজ্যৰ দৰে অত্যাৱশ্যকীয় সেৱাসমূহৰ সুবিধা উন্নত কৰাৰ লগতে গ্ৰামাঞ্চলত সংযোগ বৃদ্ধি কৰিব।

০০০০০০

ডিব্ৰুগড় জিলাৰ জ্ঞান-বিজ্ঞান একাডেমীৰ বাণিজ্য শাখাৰ প্ৰথম বৰ্ষৰ ছাত্ৰ অজিতেজ হাজৰিকা নামৰ ছাত্ৰজন কালি চিমেন নৈত পিছলি পৰি সন্ধানহীন হয়। বন্ধুৰ সৈতে ফুৰিবলৈ অহা ছাত্ৰগৰাকীয়ে চিমেন নৈত ফটো তুলিবলৈ যাওতেই দূৰ্ঘটনাটো সংঘটিত হয়। সন্ধানহীন হৈ থকা ছাত্ৰজনক বিচাৰি এছ্ ডি আৰ এফৰ দলে চিমেন নদীত উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে।

০০০০০০

গোৱালপাৰা জিলাৰ শিমলুতোলাত নাও দূৰ্ঘটনাত নিখোজ হৈ থকা বাকী দুজন ব্যক্তিৰ মৃতদেহ কালি উদ্ধাৰ কৰা হয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি নাও দূৰ্ঘটনাস্থলী পৰিদৰ্শন কৰাৰ লগতে পানীত ডুবি নিহত হোৱাসকলৰ পৰিয়ালৰ কাষত উপস্থিত হৈ সমবেদনা জনায়। নিহতসকলৰ পৰিয়াললৈ মুখ্যমন্ত্ৰীগৰাকীয়ে ৪ লাখ টকাৰ এককালীন সাহায্য প্ৰদান কৰে।

০০০০০০

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান** অসমতো অব্যাহত আছে। এই অভিযানৰ অংশ হিচাপে জিলাই জিলাই বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। সম্পূৰ্ণতা অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ডসমূহত মূলতঃ প্ৰথম ৩ মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা, সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ হাৰ, চৰকাৰে ২০১৫ চনতে কৃষকৰ বাবে আৰম্ভ কৰা ছয়েল হেল্থ কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মনিৰ্ভৰশীল গোটৰ বিপৰীতে

পুঁজি লাভ কৰি থকা গোটৰ হাৰ, বিদ্যুৎ যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে। তিনি মাহজোৰা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে গ্ৰাম সভা, নাটক, পুষ্টিকৰ আহাৰ মেলা, স্বাস্থ্য শিবিৰ, প্ৰদৰ্শনী, সজাগতা সভা আৰু সমদল আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিছে।

০০০০০০

দিব্যাংগ সবলীকৰণ বিভাগে দিব্যাংগসকলৰ সক্ষমতা বৃদ্ধিৰ বাবে কাম কৰি থকা সংস্থাসমূহক ৰাষ্ট্ৰীয় পুৰস্কাৰৰ আবেদন প্ৰক্ৰিয়াৰ বাবে আমন্ত্ৰণ জনাইছে। সামাজিক ন্যায় আৰু অধিকাৰিতা বিভাগে দিব্যাংগসকলৰ উদ্দেশ্যে কাম কৰা সংগঠনসমূহক উৎসাহিত কৰিবলৈ এই পুৰস্কাৰসমূহ প্ৰদান কৰা হ'ব বুলি প্ৰকাশ কৰিছে। প্ৰতি বছৰে ৩ ডিচেম্বৰত আন্তঃৰাষ্ট্ৰীয় দিব্যাংগ দিৱস উপলক্ষে বিশেষভাৱে সক্ষম লোকৰ উন্নতিৰ উদ্দেশ্যে কাম কৰা ব্যক্তি, সংস্থা, সংগঠন, ৰাজ্য আৰু জিলাসমূহক এই পুৰস্কাৰ প্ৰদান কৰি আহিছে। উল্লেখযোগ্য যে, চলিত বৰ্ষৰ ৰাষ্ট্ৰীয় পুৰস্কাৰৰ বাবে ৩১ জুলাই পৰ্যন্ত অন লাইন আবেদন কৰিব পাৰিব।

০০০০০০

অসম টেনিছ সন্থাৰ উদ্যোগত আজিৰে পৰা গুৱাহাটীত অইল-আইটা ছুপাৰ ছিৰিজ ৰাষ্ট্ৰীয় টেনিছ প্ৰতিযোগিতাৰ কোৱালিফায়িং ৰাউণ্ডৰ খেল আৰম্ভ হ'ব। গুৱাহাটীৰ চচল টেনিছ প্ৰকল্পত অনুষ্ঠিত হ'বলগীয়া প্ৰতিযোগিতাখনত আয়োজক অসমসহ ভাৰতৰ ১৩ খন ৰাজ্যৰ খেলুৱৈৰ নাম পঞ্জীয়ন কৰা হৈছে। উল্লেখযোগ্য যে প্ৰতিযোগিতাখনত ১২ আৰু ১৪ বছৰ অনূৰ্ধৰ ল'ৰা-ছোৱালী উভয়ৰে একক আৰু দ্বৈত শাখাৰ মেচসমূহ অনুষ্ঠিত হ'ব। ১৩ আৰু ১৪ জুলাইত কোৱালিফায়িং ৰাউণ্ডৰ খেলসমূহ অনুষ্ঠিত হোৱাৰ বিপৰীতে ১৫ জুলাইৰ পৰা মূল প্ৰতিযোগিতাৰ খেল অনুষ্ঠিত হ'ব।

০০০০০০

ভাৰত আৰু জিম্বাৱ'ৱেৰ মাজৰ পাঁচখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেল আজি হাৰাৰেত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি বিয়লি চাৰে ৪ বজাত আৰম্ভ হ'ব। শুভমন গিল নেতৃত্বাধীন ভাৰতীয় দলটো বৰ্তমান শৃংখলাত ২-১ ফলাফলেৰে আগবাঢ়ি আছে। শৃংখলাৰ প্ৰথমখন খেলত ভাৰত জিম্বাৱ'ৱেৰ হাতত ১৩ ৰানত পৰাজয়ৰ সন্মুখীন হোৱাৰ বিপৰীতে পৰৱৰ্তী দুয়োখন খেলত জয়লাভ কৰি শৃংখলাত অগ্ৰগতি লাভ কৰিবলৈ সমৰ্থ হৈছে। দ্বিতীয়খন খেলত ভাৰতে ঘৰুৱা দল জিম্বাৱ'ৱেক ১০০ ৰানত পৰাস্ত কৰাৰ বিপৰীতে তৃতীয়খন খেলত ২৩ ৰানত বিজয় জয়লাভ কৰিছে। শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল কাইলৈ একেখন ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

০০০০০০

ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান দিল্লী আৰু প্ৰচাৰ ভাৰতীয়ে আজিৰে পৰা দিল্লীৰ ত্যাগৰাজ ষ্টেডিয়ামত দুদিনীয়া ৰ'ব'ট প্ৰতিযোগিতা ডি ডি ৰ'ব'কন ইণ্ডিয়া ২০২৪ৰ আয়োজন কৰিছে। এই প্ৰতিযোগিতাত  দেশৰ বিভিন্ন প্ৰান্তৰ ৪৫ খন মহাবিদ্যালয়, বিশ্ববিদ্যালয় আৰু প্ৰতিষ্ঠানৰ ৭৫০ জনৰো অধিক শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিব। প্ৰতিযোগিতাত ৰ'ব'টে নিৰ্দিষ্ট সময়ত জটিল কাম সম্পাদন কৰিব। এই প্ৰতিযোগিতাৰ বিজয়ী দলটোৱে ভিয়েটনামত হ'বলগীয়া আন্তঃৰাষ্ট্ৰীয় এছিয়া প্ৰশান্ত মহাসাগৰীয় সম্প্ৰচাৰ সংঘ ৰ'ব'কন ২০২৪ প্ৰতিযোগিতাৰ ভাৰতক প্ৰতিনিধিত্ব কৰিব।

০০০০০০

কোকৰাঝাৰৰ ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ ষ্টেডিয়ামত অহা ৩০ জুলাইৰ পৰা ২৫ আগষ্টলৈ ১৩৩ সংখ্যক ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এই উপলক্ষে বিটিচিৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগে বিটিআৰৰ ৫খন জিলাত কালিৰে পৰা ১৫ জুলাইলৈ ট্ৰফী ভ্ৰমণ আৰু প্ৰদৰ্শনৰ ব্যৱস্থা গ্ৰহণ কৰিছে। এই অভিযানৰ অংশ হিচাপে কালি তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত ডুৰাণ্ড কাপ ট্ৰফী ভ্ৰমণ কাৰ্যসূচীৰ আয়োজন কৰা হয়। এই কাৰ্যসূচীৰ অংশ হিচাপে আজি বাক্সা আৰু কাইলৈ কোকৰাঝাৰত ট্ৰফী প্ৰদৰ্শন কৰা হ'ব।

০০০০০০

ৰাজ্যৰ শেহতীয়া বান পৰিস্থিতিৰ বাতৰিক আজি গুৱাহাটীৰ পৰা প্ৰকাশিত আটাইকেইখন কাকতেই প্ৰথম পৃষ্ঠাত স্থান দিছে। দেশৰ অৰ্থব্যৱস্থাত সৃষ্টি হোৱা তিনিটা বহিৰ্জাতীয় জোকাৰণিৰ ফলত অসংগঠিত খণ্ডত ১৬ লক্ষাধিক লোকৰ চাকৰি যোৱা বুলি এটা প্ৰতিবেদনত কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰাৰ বাতৰিক **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। ১৯৭৫ চনৰ ২৫ জুনত ঘোষণা হোৱা জৰুৰী অৱস্থাৰ সোঁৱৰণত কেন্দ্ৰীয় চৰকাৰে ২৫ জুনক সংবিধান হত্যা দিৱস ঘোষণা কৰাৰ বাতৰিক **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। নেপালৰ চৰকাৰৰ পতন, প্ৰধানমন্ত্ৰী প্ৰচণ্ডৰ পদত্যাগ শিৰোনামেৰে **আমাৰ অসম** কাকতে নেপালৰ সংসদত দেশখনৰ প্ৰধানমন্ত্ৰী পুষ্পকমল দাহাল ওৰফে প্ৰচণ্ডৰ চৰকাৰে আস্থা ভোটত পৰাজিত হোৱাৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে। পতিয়নযোগ্য তথ্য-প্ৰমাণ অবিহনে তথা একমাত্ৰ সন্দেহৰ ভিত্তিত বিদেশী ন্যায়াধীকৰণে কোনো ব্যক্তিকে বিদেশী সজাব নোৱাৰিব বুলি উচ্চতম ন্যায়ালয়ে ৰায় প্ৰদান কৰাৰ বাতৰিক **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। আগন্তুক ৬০ বছৰত বিশ্বৰ জনসংখ্যা ২০০ কোটি বৃদ্ধি পাব বুলি ৰাষ্ট্ৰসংঘৰ ৱৰ্ল্ড পপুলেশ্যন প্ৰছপেক্টছ প্ৰতিবেদনত প্ৰকাশ পোৱাৰ বাতৰিক **দৈনিক জনমভূমি** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। গ্ৰামীণ যাতায়ত ব্যৱস্থা শক্তিশালীকৰণ তথা অৰ্থনৈতিক বিকাশ তৰান্বিত কৰাৰ উদ্দেশ্যে কেন্দ্ৰীয় গ্ৰামোন্নয়ন মন্ত্ৰালয়ে অসমলৈ ৩৭৮.৬৮ কোটি টকা অনুমোদন জনোৱাৰ বাতৰিক **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ভাৰতীয় ৰিজাৰ্ভ বেঙ্কৰ তথ্য অনুসৰি ৫ জুলাই পৰ্যন্ত ভাৰতৰ বৈদেশিক মুদ্ৰাৰ ভাণ্ডাৰ ৫ দশমিক এক ছয় বিলিয়ন ডলাৰ বৃদ্ধি হৈ ৬৫৭ বিলিয়ন ডলাৰৰ নতুন অভিলেখ উচ্চতাত উপনীত হোৱাৰ বাতৰিক **দ্যা চেন্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। আবকাৰী কেলেংকাৰীৰ সন্দৰ্ভত বিধি বলৱৎকাৰী সঞ্চালকালয়ৰ গোচৰত দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে উচ্চতম ন্যায়ালয়ৰ পৰা জামিন লাভ কৰাৰ বাতৰিক **দি আছাম ট্ৰিবিউন** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ৰাজ্যৰ মঞ্চ আৰু চলচ্চিত্ৰ জগতৰ প্ৰবীণ অভিনেত্ৰী জুনু বৰুৱাৰ দেহাৱসানৰ বাতৰিক **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে

এয়াই আছিল আজি প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০

সমাপ্ত